**অসম সাহিত্য সভা**
প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ
অসমতত্ত্ব গৱেষণা সংস্থান
যোৰহাট, অসম - ৭৮৫০০১

**নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)**
অসমীয়া বিভাগ
লখিমপুৰ, অসম - ৭৮৭০৩১

**ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজ**
বাংলা বিভাগ
কলকাতা, পশ্চিমবঙ্গ - ৭০০০০৯

অসম সাহিত্য সভা, ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজ আৰু নৰ্থ লখিমপুৰ কলেজৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ

# বিষয় ঃ পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু পানীন্দ্ৰনাথ গগৈৰ জীৱন আৰু কৰ্ম

স্থান ঃ নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত), তাৰিখ ঃ ১১ আৰু ১২ এপ্ৰিল, ২০২২

# National Seminar on 'Life and Works of Padmanath Gohainborooah, Hemchandra Goswami and Panindranath Gogoi'

Organised by: Asom Sahitya Sabha, North Lakhimpur College & St. Pauls' Cathedral Mission College

Date : 11th & 12th April, 2022, Venue: North Lakhimpur College

(গৱেষণা-পত্ৰ অসমীয়া, বাংলা আৰু ইংৰাজী ভাষাত দিব পৰা যাব)

## আলোচনা-চক্ৰৰ মূল বিষয়বস্তু

পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু পানীন্দ্ৰনাথ গগৈৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী ২০২১-২২ বৰ্ষত পাৰ হৈ গৈছে। এই তিনিওজন ব্যক্তিৰ অসামান্য অৱদানৰ বস্তুনিষ্ঠ বিশ্লেষণ আৰু চৰ্চাৰ বাবে এই আলোচনা-চক্ৰৰ আয়োজন কৰা হৈছে। ঊনবিংশ শতিকাটোত দীঘলীয়া সময় জুৰি অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ সংগ্ৰাম অব্যাহত আছিল। সংগ্ৰামৰ প্ৰথম পৰ্যায়টোৰ শেষত ১৮৭২-৭৩ চনত ইংৰাজ শাসকে অসমৰ বিদ্যালয় আৰু কাৰ্যালয়ত অসমীয়া ভাষা প্ৰচলনৰ অনুমতি দিছিল যদিও বিভিন্ন সীমবদ্ধতাৰ বাবে সেয়া বাস্তৱক্ষেত্ৰত সম্ভৱ হোৱা নাছিল। বিদ্যালয়ৰ বাবে  বিভিন্ন বিষয়ৰ অসমীয়া পাঠ্যপুথি প্ৰায় নাছিলেই। আনহাতে তেতিয়ালৈ অসমীয়া ভাষা-সাহিত্য সুদীৰ্ঘ ইতিহাসৰ গভীৰ অধ্যয়নো হোৱা নাছিল। এই দুটা ডাঙৰ সমস্যা দূৰ কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰা তিনিগৰাকী ব্যক্তি হ'ল গোহাঞিবৰুৱা, গোস্বামী আৰু গগৈ। গোহাঞিবৰুৱা আৰু গোস্বামীয়ে কলিকতাত লাভ কৰা শিক্ষা আৰু অভিজ্ঞতা এইক্ষেত্ৰত যথেষ্ট সহায়ক হৈছিল। কলিকতা বিশ্ববিদ্যালয়ত উচ্চশিক্ষা ল'বলৈ যোৱা দুয়োজন ব্যক্তিয়ে কোনো ডিগ্ৰী ল'ব নোৱাৰিলে যদিও বহুতো বিষয়ত জ্ঞান আহৰণ কৰি আনিছিল। ঊনবিংশ শতিকাৰ শেষৰটো দশকত পদ্মনাথ গোহাঞিবৰুৱা আৰু পানীন্দ্ৰনাথ গগৈয়ে যথেষ্ট সংখ্যক অসমীয়া ভাষাৰ পাঠ্যপুথি ৰচনা কৰি বিদ্যালয়ত অসমীয়া পাঠ্যপুথি প্ৰচলনৰ সুবিধা কৰে। পানীন্দ্ৰনাথ গগৈ কম বয়সতে ঢুকাল; কিন্তু গোহাঞিবৰুৱাই সমগ্ৰ জীৱন জুৰি এগৰাকী শিক্ষাবিদ, সাহিত্যিক, সংগঠক আৰু ৰাজনীতিক হিচাপে জাতীয় জীৱনক সমৃদ্ধ কৰি গ'ল। কুৰি শতিকাৰ প্ৰায় দুটা দশক গোহাঞিবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ে একত্ৰিত হৈ ভাষা-সাহিত্যৰ উত্তৰণৰ হকে কাম কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষা শিক্ষাৰ আৰম্ভ কৰাৰ নেপথ্যতো দুয়োগৰাকী ব্যক্তিৰ প্ৰচেষ্টা জড়িত হৈ আছে।  ঔপনিৱেশিক কালছোৱাত অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ হকে  পৰিশ্ৰম কৰা এই তিনিওগৰাকী ব্যক্তিৰ অৱদানৰ

সঠিক তথা বস্তুনিষ্ঠ মূল্যায়ন হোৱাটো অতি প্ৰয়োজনীয়। আজিৰ প্ৰেক্ষাপটত এনেধৰণৰ আলোচনাই নতুন নতুন চিন্তাৰ বাট মুকলি কৰিব।

## উপ-বিষয়সমূহ

১. উনবিংশ শতিকাৰ ভাৰতত ইংৰাজৰ ভাষা-নীতি
২. কলিকতা বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষাসমূহৰ শিক্ষাৰ ইতিহাস
৩. কলিকতা বিশ্ববিদ্যালয়ত অসমীয়াৰ স্নাতকোত্তৰ শিক্ষাৰ ইতিহাস
৪. ঊনবিংশ শতিকাৰ অসমীয়া ভাষাৰ পাঠ্যপুথি
৫. অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম
৬. শিক্ষাবিদ হিচাপে পদ্মনাথ গোহাঞিবৰুৱাৰ অৱদান
৭. গোহাঞিবৰুৱা প্ৰণীত পাঠ্যপুথিসমূহ
৮. 'বিজুলী' আৰু অসমীয়া নৱজাগৰণ
৯. 'ঊষা' আলোচনীৰ অৱদান
১০. সাহিত্যিক পদ্মনাথ গোহাঞিবৰুৱা
১১. বুৰঞ্জীবিদ পদ্মনাথ গোহাঞিবৰুৱা
১২. অসমৰ ঐতিহ্য অন্বেষণত হেমচন্দ্ৰ গোস্বামীৰ ভূমিকা
১৩. অসমীয়া সাহিত্যৰ ইতিহাস প্ৰণয়নত হেমচন্দ্ৰ গোস্বামীৰ ভূমিকা
১৪. সাহিত্যিক হেমচন্দ্ৰ গোস্বামী
১৫. বুৰঞ্জীবিদ হেমচন্দ্ৰ গোস্বামী
১৬. 'জোনাকী' আৰু অসমীয়া নৱজাগৰণ
১৭. পানীন্দ্ৰনাথ গগৈ আৰু অসমীয়া পাঠ্যপুথি
১৮. শিশু সাহিত্যিক পানীন্দ্ৰনাথ গগৈ
১৯. অসমৰ সংসদীয় ৰাজনীতি আৰু পদ্মনাথ গোহাঞিবৰুৱা
২০. মূল বিষয়ৰ লগত সম্পৰ্ক থকা যিকোনো বিষয়

সাৰাংশ প্ৰেৰণৰ শেষ তাৰিখ ঃ ২০ মাৰ্চ, ২০২২
নিৰ্বাচিত সাৰাংশৰ তালিকা প্ৰকাশৰ তাৰিখ ঃ ২৫ মাৰ্চ, ২০২২
সম্পূৰ্ণ গৱেষণা-পত্ৰ প্ৰেৰণৰ অন্তিম তাৰিখ ঃ ২ এপ্ৰিল, ২০২২
পঞ্জীয়নৰ অন্তিম তাৰিখ ঃ ২ এপ্ৰিল, ২০২২

সাৰাংশ আৰু গৱেষণা-পত্ৰ প্ৰেৰণৰ বাবে ইমেইল ঃ asmnlc2021@gmail.com

পঞ্জীয়ন মাচুল (গৱেষণা-পত্ৰৰ সৈতে অংশগ্ৰহণ) ঃ ১. বৃত্তিধাৰীসকলৰ বাবে ১,০০০.০০ টকা, ২. গৱেষকৰ বাবে ৬০০.০০ টকা, ৩. ছাত্ৰ-ছাত্ৰীৰ বাবে ৪০০.০০ টকা।

পঞ্জীয়ন মাচুল (কেৱল অংশগ্ৰহণ) ঃ ১. বৃত্তিধাৰীসকলৰ বাবে ৪০০.০০ টকা, ২. গৱেষকৰ বাবে ৩০০.০০ টকা, ৩. ছাত্ৰ-ছাত্ৰীৰ বাবে ৩০০.০০ টকা।

**দ্ৰষ্টব্য ঃ** ১. অনুগ্ৰহ কৰি সাৰাংশ আৰু গৱেষণা-পত্ৰ টাইপ কৰি পিডিএফ আৰু মূল ফাইল দুয়োটা মেইল কৰিব। কেৱল পিডিএফ গ্ৰহণ কৰা নহয়।
২. ইচ্ছুক অংশগ্ৰহণকাৰী সকলৰ গৱেষণা-পত্ৰসমূহ একত্ৰিত কৰি এক সংকলন প্ৰকাশ কৰা হ'ব। তাৰবাবে প্ৰয়োজনীয় সংশোধনসহ তেওঁলোকে ২০-০৪-২০২২ তাৰিখৰ ভিতৰত গৱেষণা-পত্ৰসমূহৰ মূল ফাইল (পিডিএফ নহয়) মেইল কৰিব লাগিব।


**(ড° বিমান চন্দ্ৰ চেতিয়া)**
অধ্যক্ষ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)
ফোন ঃ 94350-86753

**(ড° অৰবিন্দ ৰাজখোৱা)**
মুৰব্বী, অসমীয়া বিভাগ, নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত), ফোন ঃ 94351-89174

**(ড° ৰাজশ্ৰী হাজৰিকা)**
সমন্বয়ক, প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থান, অসম সাহিত্য সভা, ফোন ঃ 99544-00244

**(ড° শেখ মকবুল ইছলাম)**
মুৰব্বী, বাংলা বিভাগ, ছেইণ্ট প'লচ কেথেড্ৰেল মিছন কলেজ, কলকাতা, ফোন ঃ 98302-54859